# Prime Minister participates in the Second Global COVID Virtual Summit

May 12, 2022

## দ্বিতীয় আন্তৰ্জাতিক কোভিড ভাৰ্চুৱেল শীৰ্ষ সন্মিলনত অংশগ্ৰহণ প্ৰধানমন্ত্ৰীৰ

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আমেৰিকাৰ ৰাষ্ট্ৰপতি জোচেফ আৰ বাইডেন জুনিয়ৰৰ আমন্ত্ৰণমৰ্মে দ্বিতীয় আন্তৰ্জাতিক কোভিড ভাৰ্চুৱেল শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে। শীৰ্ষ সন্মিলনৰ মুকলি অধিবেশনত 'ক'ৰোনা মহামাৰীৰ ফলত উদ্ভূত সংকটৰ মোকাবিলা আৰু যিকোনো পৰিস্থিতিৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতিত অগ্ৰাধিকাৰ দিয়া' শীৰ্ষক বিষয়ত প্ৰধানমন্ত্ৰীয়ে ভাষণ প্ৰদান কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতে মহামাৰীৰ বিৰুদ্ধে এক জনমুখী কৌশল গ্ৰহণ কৰিছিল আৰু এইবাৰ বাজেটত স্বাস্থ্য খণ্ডত সৰ্বাধিক আবণ্টন দিছে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰতে বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ টিকাকৰণ অভিযান চলাই আছে আৰু ইয়াৰ প্ৰাপ্তবয়স্ক জনসংখ্যাৰ প্ৰায় নব্বৈ শতাংশ আৰু পঞ্চাশ মিলিয়নতকৈ অধিক শিশুক টিকাকৰণ কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে আন্তৰ্জাতিক সম্প্ৰদায়ৰ এক দায়িত্বশীল সদস্য হিচাপে ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ প্ৰস্তুত। ভাৰতে কোভিড পৰিস্থিতি মোকাবিলাৰ বাবে নিজৰ কম খৰচী থলুৱা ক'ভিড প্ৰশমন প্ৰযুক্তি, ভেকচিন আৰু চিকিৎসা পদ্ধতিসমূহ অন্য দেশৰ সৈতে ভাগ-বতৰা কৰি সক্ৰিয় ভূমিকা পালন কৰি যাব। ভাৰতে ইয়াৰ জিন'মিক ছাৰ্ভিলেন্স কনচৰ্টিয়ামৰ সম্প্ৰসাৰণৰ বাবে কাম কৰি আছে। ভাৰতে পৰম্পৰাগত চিকিৎসা বিজ্ঞানৰ ব্যাপক ব্যৱহাৰ কৰি আহিছে আৰু ভাৰতত ডব্লিউএইচঅ' চেণ্টাৰ ফৰ ট্ৰেডিচনেল মেডিচিনৰ আধাৰশিলা স্থাপন কৰা হৈছে। বিশ্ববাসীৰ ওচৰত শতাব্দী প্ৰাচীন পৰম্পৰাগত চিকিৎসা বিজ্ঞানৰ জ্ঞান উপলব্ধ কৰাই ইয়াৰ উদ্দেশ্য।

প্ৰধানমন্ত্ৰীয়ে এক শক্তিশালী আৰু অধিক স্থিতিস্থাপক বৈশ্বিক স্বাস্থ্য আন্তগাঁথনি গঢ়ি তুলিবলৈ বিশ্ব স্বাস্থ্য সংস্থাক শক্তিশালী আৰু সংস্কাৰ কৰিবলৈও আহ্বান জনায়।

সন্মিলনৰ আন আন অংশগ্ৰহণকাৰীসকলৰ ভিতৰত আছিল এই অনুষ্ঠানৰ সহ-আয়োজকসকল ক্ৰমে-কেৰিকমৰ অধ্যক্ষ হিচাপে বেলিজ চৰকাৰৰ মুৰব্বী, আফ্ৰিকান ইউনিয়নৰ অধ্যক্ষ হিচাপে চেনেগাল, জি-20ৰ অধ্যক্ষ হিচাপে ইণ্ডোনেছিয়া আৰু জি-৭ৰ অধ্যক্ষ হিচাপে জাৰ্মানী। ৰাষ্ট্ৰসংঘৰ মহাসচিব, বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলেও সন্মিলনত অংশগ্ৰহণ কৰে।

2021 চনৰ 22 ছেপ্টেম্বৰত ৰাষ্ট্ৰপতি বাইডেনে আয়োজন কৰা প্ৰথম আন্তৰ্জাতিক কোভিড ভাৰ্চুৱেল শীৰ্ষ সন্মিলনতো প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

নতুন দিল্লী
মে 012, 2022

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.